# Press Release of Russia-India-China Foreign Ministers

September 10, 2020

---

# ৰাছিয়া-ভাৰত-চীনৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰেছ বিজ্ঞপ্তি

ছেপ্তেম্বৰ 10, 2020

ৰাছিয়াৰ বিদেশ মন্ত্ৰী শ্ৰী ছাৰ্গেই লাভৰৌভ, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু চীনৰ ৰাজ্যিক সদস্য/ বিদেশ মন্ত্ৰী শ্ৰী ৱাং য়িয়ে 10 ছেপ্তেম্বৰ 2020 তাৰিখে মস্কোত সাক্ষাত কৰে।

মন্ত্ৰীসকলে পাৰস্পৰিক বুজাবুজি, বন্ধুত্ব আৰু বিশ্বাসৰ সৈতে ৰাছিয়া-ভাৰত-চীনৰ ত্ৰিপাক্ষিক সহযোগিতাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক গুৰুত্বৰ বিষয়সমূহক আগলৈ অধিক দৃঢ় কৰাৰ সন্দৰ্ভত মত বিনিময় কৰে। মন্ত্ৰী কেইগৰাকীয়ে উল্লেখ কৰে যে তিনিওখন দেশৰ সমূহীয়া উন্নয়ন আৰু সহযোগিতা বৈশ্বিক বিকাশ, শান্তি আৰু স্থিৰতাক উন্নত কৰাৰ কাৰণে সহায়ক হব।

দ্বিতীয় বিশ্ব যুদ্ধৰ বিজয়ৰ 75তম বাৰ্ষিকী আৰু ৰাষ্ট্ৰসংঘৰ গঠন উপলক্ষে 23 জুন 2020 তাৰিখে অনুষ্ঠিত হোৱা ভিডিঅ কনফাৰেন্সৰ কথা স্মৰণ কৰি মন্ত্ৰী কেইগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় আইনৰ সাৰ্ব্বজনীন স্বীকৃত নীতিৰ প্ৰতি সমেত বহুপক্ষীয়তা আৰু সন্মানৰ কাৰণে নিজৰ সমৰ্থনৰ কথা পুনৰাই ব্যক্ত কৰে।

মন্ত্ৰীসকলে 2019 বৰ্ষৰ আগষ্টত ভাৰতৰ দ্বাৰা আয়োজন কৰা আঞ্চলিক বিষয়সমূহৰ 2য় আৰ আই চি ডি জি-স্তৰৰ পৰামৰ্শসমূহ, তৃতীয় 2019 বৰ্ষৰ ছেপ্তেম্বৰত চীনৰ দ্বাৰা আয়োজিত 17তম RIC একাডেমিক বিনিময় কনফাৰেন্স, 2019 বৰ্ষৰ অক্টোবৰত ৰাছিয়াৰ দ্বাৰা আয়োজন কৰা তৃতীয় RIC য়ং ডিপ্লমেটছ কাৰ্যসূচী আৰু 4 ছেপ্তেম্বৰ 2020 তাৰিখে আয়োজিত কৰা ৰাষ্ট্ৰীয় স্বচ্ছতা আৰু মহামাৰী বিজ্ঞান সেৱাৰ প্ৰথমখন অনলাইন বৈঠক সহ আৰ আই চি পৰিকাঠামোৰ অধীনত অনুষ্ঠিত হোৱা যুটীয়া কাৰ্য্যক্ৰমসমূহৰ ধাৰাবাহিকতাৰ প্ৰশংসা কৰে। তিনিওখন দেশৰ শক্তিশালী বৈজ্ঞানিক আৰু উদ্যোগিক ক্ষমতাৰ সৈতে ক'ভিড-19 মহামাৰীৰ প্ৰভাৱ হ্ৰাস কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব বুলি মন্ত্ৰীকোইগৰাকীয়ে সহমত পোষণ কৰে।

বাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু চীনৰ বিদেশ মন্ত্ৰীয়ে বিগত এক বছৰৰ পৰা আৰ আই চিৰ অধ্যক্ষতা আৰু বৈঠক/ কনফাৰেন্সসমূহৰ আয়োজন কৰাৰ বাবে ৰাছিয়াৰ বিদেশ মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ৰাছিয়াৰ বিদেশ মন্ত্ৰী গৰাকীয়ে আনুষ্ঠানিকভাৱে আৰ আই চিৰ অধ্যক্ষতাৰ পদ ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ হাতত অৰ্পণ কৰে।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.